**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 15-06-2026 **Time :** 1100 Hrs.

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি উত্তৰ-পূব খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন আৰু যোগাযোগ সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে শ্বিলঙলৈ আহিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শ্বিলঙৰ ম'কাচিয়াঙৰ লাৰিটি পাৰ্ফমেঞ্চ কেন্দ্ৰত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী -NEIINFRA উদ্বোধন কৰিব। তেওঁ লগতে এই সন্মিলনত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত অংশ ল'ব। NEIINFRA-ই নীতি নিৰ্মাতা, উদ্যোগিক নেতা, বিনিয়োগকাৰী আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অংশীদাৰীসকলক একেলগ কৰি আন্তঃগাঁথনিৰ উন্নয়ন, বিনিয়োগৰ সুযোগ আৰু আঞ্চলিক বিকাশৰ আলোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে সেৱা আগবঢ়াই আহিছে। দুদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই অংশগ্ৰহণ কৰিব। এই সন্মিলন উত্তৰ-পূব ভাৰতৰ আন্তঃগাঁথনিক লৈ সমবেত হোৱা সৰ্ববৃহৎ সন্মিলন হ'ব বুলি আশা কৰা হৈছে। শ্ৰী গাডকাৰীয়ে আজি মেঘালয়ত তিনিহাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ উদ্দেশ্যে আয়োজন কৰা এটা অনুষ্ঠানত ভাগ ল'ব। এই প্ৰকল্পই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে প্ৰান্তীয় অঞ্চললৈ যোগাযোগৰ সুবিধা তথা মেঘালয়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ অনুষ্ঠিত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা, নীটৰ প্ৰৱেশ পত্ৰ মুকলি কৰিছে। পৰীক্ষাৰ্থীসকলে এন টি এ-ৰ ৱেৱছাইট neet.nta.nic.in-ৰ পৰা তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব। ২১ জুনত দিনৰ ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব। এন টি এই পৰীক্ষাৰ্থীসকলক প্ৰৱেশ পত্ৰ ডাউনলোডৰ পূৰ্বে ৰিফাণ্ডৰ বাবে তেওঁলোকৰ বেংক একাউণ্টৰ তথ্য পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিছে।

০০০০০০০০০

স্বাধীনতা সেনানী তথা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ভাৰত ত্যাগ আন্দোলনৰ সময়ত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক ব্ৰিটিছ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিছিল। ১৯৪৩ চনৰ আজিৰ দিনটোতে কুশল কোঁৱৰক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্বহীদগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসীম দেশপ্ৰেম আৰু আত্মবলিদানৰ অজেয় প্ৰতীক শ্বহীদ কুশল কোঁৱৰৰ পুন্য তিথিত তেখেতলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ কয়, যে দেশমাতৃৰ মুক্তিৰ বাবে কুশল কোঁৱৰৰ আত্মোৎসৰ্গৰ গৌৰৱগাথাই আমাৰ জাতীয় চেতনাক চিৰকাললৈ উদ্বুদ্ধ কৰি ৰাখিব।

00000000

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৪ গৰাকী লোকৰ সাক্ষ্য গ্ৰহণৰ বাবে দিন ধাৰ্য কৰা হৈছে। আজিৰ দিনটোত সাক্ষ্য গ্ৰহণৰ বাবে ৰাহুল গোস্বামী, গৌতম ভট্টাচাৰ্য, ৰাজ গোস্বামী, দিপাংকৰ ঠাকুৰীয়াক আদালতত উপস্থিত থাকিবলৈ কোৱা হৈছে। অৱশ্যে যোৱা ১২ জুনত অনুষ্ঠিত শুনানিত সময়ৰ অভাৱৰ বাবে সাক্ষ্য প্ৰদান কৰিব নোৱৰা সাক্ষীসকলৰো আদালতে আজি সাক্ষ্য গ্ৰহণৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পাছতে ঘটনাৰ উচিত তদন্ত বিচাৰি ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত ভালেসংখ্যক এজাহাৰ দাখিল হৈছিল। যিসকল লোকে এই এজাহাৰ দাখিল কৰিছিল সেইসকল লোকৰে যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া গ্ৰহণ কৰিছে। অহা ২০ জুন পৰ্যন্ত এই এজাহাৰকাৰীসকলৰ আদালতে সাক্ষ্য গ্ৰহণ কৰিব। আমাৰ আগৰ বাতৰিতেই উল্লেখ কৰা হৈছে যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

000000000

ডিব্ৰুগড় আৰক্ষীয়ে কালি টাউন ৰে'ল ষ্টেচনৰ বিপৰীত দিশে থকা এটা আবাসিক এলেকাত অভিযান চলাই মাদকদ্ৰব্য সৰবৰাহৰ সৈতে জড়িত কেইবাজনো লোকক আটক কৰাৰ লগতে বহু লক্ষাধিক টকা জব্দ কৰে। আৰক্ষীয়ে অভিযানৰ সময়ত মাদকদ্ৰব্য সৰবৰাহৰ সন্দেহত কেইবাজনো লোকক জিম্মাত লৈ সোধা-পোছা অব্যাহত ৰাখিছে। জিলাখনত চলি থকা মাদকদ্ৰব্যৰ বেহা সম্পূৰ্ণৰূপে উৎখাত কৰাৰ বাবে জিলা আৰক্ষীয়ে ধাৰাবাহিকভাৱে অভিযান চলাই আহিছে।

0000000

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী মুক্তিযোদ্ধা, স্বাধীন চাৰিগাঁও ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰূপে খ্যাত লক্ষেশ্বৰ বৰুৱাৰ জীৱন আৰু কৃতি সম্বলিত **৪২'ৰ ৰাষ্ট্ৰপতি লক্ষেশ্বৰ বৰুৱা** শীৰ্ষক এখন গ্ৰন্থ কালি উন্মোচন কৰা হয়। যোৰহাটৰ মুক্তিযুঁজাৰু ভৱনত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ দীপজ্যোতি ৰাজখোৱাই গ্ৰন্থখন উন্মোচন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সাংসদ কামাখ্যা প্ৰসাদ তাছা, সাহিত্যিক ড০ চেনিৰাম দত্ত, মুক্তিযুঁজাৰু সন্মিলনৰ গিৰিশ বৰদলৈ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

00000000

**সমাপ্ত**